**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-1-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৈছে, যে ভাৰত আৰু ইউৰোপীয় ইউনিয়নৰ মুক্ত বাণিজ্য চুক্তি বিশ্বৰ দুখন বৃহৎ অৰ্থনীতিৰ মাজৰ সম্বন্ধৰ উত্তম উদাহৰণ।

২। কাইলৈৰ পৰা সংসদৰ বাজেট অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিৱেশন ২ এপ্ৰিলত সামৰণি পৰিব। পূৰ্বে আজি নতুন দিল্লীত সংসদ ভৱন চৌহদত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়।

৩। অপাৰেচন সিন্দূৰৰ লৈ চলোৱা ভুৱা প্ৰচাৰ অগ্ৰাহ্য কৰি ৰাষ্ট্ৰসংঘৰ মজিয়াত ভাৰতে পাকিস্তানক কঠোৰ ভাষাৰে সমালোচনা কৰে।

৪। প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা-ডি আৰ ডি অ'ই প্ৰযুক্তিৰ বিকাশেৰে ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিকাঠামো শক্তিশালী কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

আৰু

৫। মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি বদোদৰাৰ বি চি এ ষ্টেডিয়ামত দেলহী কেপিটেলছ্ গুজৰাট জায়েণ্টছ্ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

ভাৰত আৰু ইউৰোপীয় ইউনিয়নৰ মুক্ত বাণিজ্য চুক্তিক আদৰণি জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কয়, যে এই চুক্তি বিশ্বৰ দুখন বৃহৎ অৰ্থনীতিৰ মাজৰ সম্বন্ধৰ উত্তম উদাহৰণ আৰু সকলো চুক্তিৰ মাতৃ হিচাপে পৰিগণিত হৈছে। তেওঁ কয়, যে ভাৰত-ইউৰোপীয় ইউনিয়নৰ মুক্ত বাণিজ্য চুক্তিয়ে ভাৰত-ব্ৰিটেইন বাণিজ্য চুক্তিক প্ৰভাৱিত কৰিব আৰু নিৰ্মাণৰ লগতে সেৱা খণ্ডক সমৃদ্ধ কৰিব। প্ৰধানমন্ত্ৰীয়ে ভাৰত শক্তি সপ্তাহ ভাৰ্চুৱেলী উদ্বোধন কৰি আজি এইদৰে কয়।

প্ৰধানমন্ত্ৰীয়ে কয়, যে এই সুদূৰ প্ৰসাৰী চুক্তিয়ে দেশৰ ১৪০ কোটি জনগণ আৰু ইউৰোপীয় ইউনিয়নৰ লাখ লাখ লোকৰ বাবে ব্যাপক সা-সুবিধা মুকলি কৰিব। এই দুয়োটা অঞ্চলে বিশ্বৰ মুঠ ঘৰুৱা উৎপাদনৰ ২৫ শতাংশক আৰু বিশ্ব বাণিজ্যৰ এক তৃতীয়াংশক প্ৰতিনিধিত্ব কৰে বুলি উল্লেখ কৰি শ্ৰীমোডীয়ে কয়, যে অৰ্থনীতিৰ ঊৰ্ধৰ্লৈ গৈ এই চুক্তিয়ে গণতন্ত্ৰ আৰু আইনৰ শাসনৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰিছে।

তেওঁ কয়, যে ভাৰত বিশ্বৰ খৰতকীয়া বিকাশশীল প্ৰধান অৰ্থনীতি আৰু শক্তি খণ্ডৰ ব্যাপক সুবিধা থকা দেশ। ভাৰত পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ ৰপ্তানিৰ বিশ্বৰ প্ৰথম ৫খন দেশৰ অন্যতম বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ভাৰত শক্তি সপ্তাহ ক্ৰমশঃ শক্তি খণ্ডৰ বিশ্বজোৰা আলোচনা আৰু কৰ্মৰ মঞ্চ হৈ উঠিছে। এই অনুষ্ঠান দেশৰ শক্তি খণ্ডৰ প্ৰসাৰ আৰু বিশ্বৰ বৃহৎ বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ মঞ্চ হৈ উঠা বুলিও তেওঁ প্ৰকাশ কৰে। ভাৰত বৰ্তমান শোধন ক্ষমতাৰ ক্ষেত্ৰত বিশ্বৰ দ্বিতীয় স্থানত বুলি উল্লেখ কৰি শ্ৰী মোডীয়ে কয়, যে এই ক্ষেত্ৰত সোনকালে ভাৰতে প্ৰথম স্থান দখল কৰিব। তেওঁ কয়, যে দেশত বৰ্তমান বছৰি ২৬০ মিলিয়ন মেট্ৰিকটন শোধন ক্ষমতা আছে আৰু এই ক্ষমতা বছৰি ৩০০ মিলিয়ন মেট্ৰিকটনলৈ বৃদ্ধি কৰাৰ কাম চলি আছে।

০০০০০০০০০

কাইলৈৰ পৰা সংসদৰ বাজেট অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিৱেশন ২ এপ্ৰিলত সামৰণি পৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনক উদ্দেশি দিয়া ভাষণেৰে অধিৱেশন আৰম্ভ হ'ব। কাইলৈৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈকে অধিৱেশনৰ প্ৰথম পৰ্যায় আৰু ৯ মাৰ্চৰ পৰা ২ এপ্ৰিললৈকে দ্বিতীয় পৰ্যায়ৰ কাম-কাজসমূহ চলিব। পহিলা ফেব্ৰুৱাৰীত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰিব।

০০০০০০০০০

সংসদৰ সমাগত বাজেট অধিৱেশনৰ পূৰ্বে আজি নতুন দিল্লীত সংসদ ভৱন চৌহদত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অধ্যক্ষতা কৰে। ৰাজ্যসভাত কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজু, সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল আৰু ড০ এল মুৰুগান এই বৈঠকত উপস্থিত থাকে। কংগ্ৰেছৰ জয়ৰাম ৰমেশ, ডি এম কেৰ তিৰুচি শিৱা, তৃণমূল কংগ্ৰেছৰ সাগৰিকা ঘোষ, সমাজবাদী দলৰ সাংসদ ৰামগোপাল যাদৱো এই বৈঠকত উপস্থিত আছে। সংসদৰ বাজেট অধিৱেশন কাইলৈৰ পৰা চলিত বৰ্ষৰ দুই এপ্ৰিললৈ অনুষ্ঠিত হ'ব।

০০০০০০০০০

অপাৰেচন সিন্দূৰৰ লৈ চলোৱা ভুৱা প্ৰচাৰ অগ্ৰাহ্য কৰি ৰাষ্ট্ৰসংঘৰ মজিয়াত ভাৰতে পাকিস্তানক কঠোৰ ভাষাৰে সমালোচনা কৰে। ভাৰতৰ অভ্যন্তৰীণ বিষয়, বিশেষকৈ জম্মু-কাশ্মীৰ সন্দৰ্ভত ইছলামাবাদে কোনো মাত মতাৰ অধিকাৰ নাই বুলি ভাৰতে সকিয়াই দিয়ে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত কঠোৰ ভাষাৰে পাকিস্তানক সতৰ্ক কৰি দি ভাৰতে কয়, যে দেশখনে সন্ত্ৰাসবাদক ৰাষ্ট্ৰীয় নীতিৰ সঁজুলি হিচাপে ব্যৱহাৰ কৰি থকাটো সহ্য কৰা নহ'ব। ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী প্ৰতিনিধি পি. হৰিশে পাকিস্তানৰ ৰাষ্ট্ৰদূত আছিম ইফটিকাৰ আহমেদৰ বক্তব্যৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। নিৰাপত্তা পৰিষদত আন্তৰ্জাতিক আইনৰ শাসন তথা শান্তি, ন্যায় আৰু বহুপক্ষীয় সিদ্ধান্তৰ দিশ সন্দৰ্ভত অনুষ্ঠিত মুকলি বিতৰ্কত অংশগ্ৰহণ কৰি পাকিস্তানৰ ৰাষ্ট্ৰদূতগৰাকীয়ে অপাৰেচন সিন্দূৰক লৈ বক্তব্য আগবঢ়াইছিল।

ভাৰতৰ স্থায়ী প্ৰতিনিধি পি. হৰিশে কয়, যে ভাৰত আৰু ভাৰতৰ বাসিন্দাসকলক অপকাৰ কৰাই হৈছে পাকিস্তানৰ একমাত্ৰ নীতি। তেওঁ কয়, যে ভাৰতে নিজৰ সুৰক্ষা আৰু নাগৰিকসকলৰ নিৰাপত্তাৰ বাবে প্ৰয়োজনীয় সকলো কৰিব। শ্ৰী হৰিশে সতৰ্ক কৰি দিয়ে যে, নিৰাপত্তা পৰিষদ সন্ত্ৰাসবাদক ন্যায় দিয়া মঞ্চত পৰিণত হ'ব নোৱাৰে। তেওঁ কয়, যে ভাৰতে পাকিস্তান অধিকৃত কাশ্মীৰৰ সন্ত্ৰাসবাদী ঘাটিসমূহক লক্ষ্য কৰি লৈ পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত চলোৱা অপাৰেচন সিন্দূৰক লৈ পাকিস্তানৰ ৰাষ্ট্ৰদূত জনে ভুৱা তথা আত্মৰক্ষামূলক প্ৰচাৰ কৰি আহিছে। তেওঁ মনত পেলাই দিয়ে, যে সাধাৰণ পৰিষদেও এটা বিবৃতিত পেহেলগাম আক্ৰমণক কঠোৰ ভাষাৰে গৰিহণা দিছিল, লগতে আৰু এই আক্ৰমণৰ পৰিকল্পনাকাৰী, আক্ৰমণকাৰী, বিত্ত যোগানকাৰী আৰু পৃষ্ঠপোষকসকলক বিচাৰি উলিয়াই ন্যায়ৰ কাঠগড়ালৈ অনাত গুৰুত্ব দিছিল। স্থায়ী প্ৰতিনিধিগৰাকীয়ে দাবী কৰে, যে অপাৰেচন সিন্দূৰৰ নিৰ্দিষ্ট লক্ষ্য, উদ্দেশ্যে আৰু দায়িত্ব আছিল। এই অভিযানৰ জৰিয়তে কেৱল সন্ত্ৰাসবাদী আৰু সন্ত্ৰাসবাদীৰ ঘাটিসমূহ ধ্বংস কৰাৰ লক্ষ্য লোৱা হৈছিল বুলি শ্ৰী হৰিশে স্পষ্ট কৰি দিয়ে।

সিন্ধু জল চুক্তিৰ সন্দৰ্ভত ভাৰতৰ প্ৰতিনিধিগৰাকীয়ে কয়, যে বিশ্বাস, বন্ধুত্ব আৰু সদিচ্ছাৰে ভাৰতে ৬৫বছৰ পূৰ্বে এই চুক্তি কৰিছিল। তেওঁ স্পষ্ট কৰি দিয়ে, যে যেতিয়ালৈকে পাকিস্তানে সীমান্ত তথা অন্যান্য সকলো ধৰণৰ সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা বন্ধ নকৰে, তেতিয়ালৈকে এই চুক্তি বাতিল হৈ থাকিব বুলি ভাৰতে সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০০০০০০

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা- ডি আৰ ডি অ'ই প্ৰযুক্তিৰ বিকাশেৰে ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিকাঠামো শক্তিশালী কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত ডি আৰ ডি অ'ৰ বিজ্ঞানীসকলৰ সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই কথা প্ৰকাশ কৰে। মন্ত্ৰী শ্ৰী সিঙে কয়, যে ডি আৰ ডি অ'ৰ এৰ'নটিক্স, মিছাইল আদিৰ ক্ষেত্ৰত থকা ৪৫ টা পৰীক্ষাগাৰে দেশৰ প্ৰতিৰক্ষা সামৰ্থৰ ৰাজহাড় ৰূপে কাম কৰি আহিছে। তেওঁ কয়, যে আজিৰ গতিশীল পৃথিৱীত প্ৰযুক্তিয়ে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে।

○○○○○○○○○

পশ্চিমবংগৰ দক্ষিণ চৌবিবছ পৰগানা জিলাৰ নাজিৰাবাদৰ এটা গুডামঘৰত সংঘটিত বিধংসী অগ্নিকাণ্ডত নিহতৰ সংখ্যা ৮ লৈ বৃদ্ধি পাইছে। কেইবাজনো লোক বৰ্তমানলৈ নিখোজ হৈ আছে। ক্ষয়-ক্ষতিৰ পৰিমাণ হ্ৰাস কৰিবলৈ অগ্নি নিৰ্বাপক বাহিনীৰ লোকসকল এতিয়াও জুই নুমুওৱা কামত ব্যস্ত হৈ আছে।

এই দুৰ্ঘটনাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনত ৰাজনৈতিক বাদ-বিবাদৰ সৃষ্টি হৈছে। বিজেপিয়ে ৰাজ্য চৰকাৰৰ তীব্ৰ সমালোচনা কৰিছে। বিজেপিৰ প্ৰাক্তন ৰাজ্যিক সভাপতি ড০ সুকান্ত মজুমদাৰে অগ্নিকাণ্ডৰ ঘটনাত নিহতৰ সংখ্যা বৃদ্ধি হৈ থকাৰ সময়তো ৰাজ্যৰ অগ্নি নিৰ্বাপক বিভাগৰ বিভাগীয় মন্ত্ৰীগৰাকীৰ অনুপস্থিতিক তীব্ৰ সমালোচনা কৰে। ৰাজ্য চৰকাৰে হতাহতৰ প্ৰকৃত সংখ্যা সঠিকভাৱে প্ৰকাশ কৰা নাই বুলিও তেওঁ অভিযোগ উত্থাপন কৰে। তেওঁ এই দুৰ্ঘটনাৰ বাবে ৰাজ্য চৰকাৰক দোষাৰোপ কৰাৰ লগতে কয়, যে নিৰপৰাধী লোকৰ মৃত্যুৰ বাবে চৰকাৰ দায়ী।

○○○○○○○○○

নাগালেণ্ডৰ প্ৰথমখন ড্ৰোণ বিদ্যালয় নাগালেণ্ড জি আই এছত আৰু কোহিমাত ৰিম'ট ছেঞ্চিং কেন্দ্ৰ স্থাপন কৰা হয়। ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ অংশ হিচাপে মুখ্যমন্ত্ৰী নেফিঅ' ৰিঅ'ই কালি এই ড্ৰোণ বিদ্যালয় আৰু ৰিম'ট ছেঞ্চিং কেন্দ্ৰটো মুকলি কৰে। ড্ৰোণ বিদ্যালয় আৰু ৰিম'ট ছেঞ্চিং কেন্দ্ৰ স্থাপনৰ মূল লক্ষ্য হৈছে ৰাজ্যখনৰ যুৱ প্ৰজন্মক ড্ৰোণ প্ৰযুক্তিৰ ক্ষেত্ৰত দক্ষতা বিকাশ আৰু নিয়োগৰ সুবিধা সৃষ্টি কৰা। মুখ্যমন্ত্ৰী নেফিঅ' ৰিঅ'ই কয়, যে ইয়াৰ জৰিয়তে প্ৰশাসন, উন্নয়ন আৰু জনসেৱাৰ বাবে আধুনিক প্ৰযুক্তিৰ দিশত এয়া এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। ড্ৰোণ বিদ্যালয়খনে উদ্ভাৱন আৰু সামৰ্থ বৃদ্ধিত সহায়ক হ'ব বুলিও তেওঁ মন্তব্য কৰে।

○○○○○○○○○

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি বদোদৰাৰ বি চি এ ষ্টেডিয়ামত দেলহী কেপিটেলছ গুজৰাট জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

কালি অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ১৫ ৰানত পৰাজিত কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰণ কৰি দিয়া ২০০ ৰানৰ লক্ষ্য অনুসৰণ কৰি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৮৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। মুম্বাই ইণ্ডিয়ানছৰ হৈ হেলী মেথিউজে তিনিটা উইকেট দখল কৰাৰ বিপৰীতে শ্বাবনীম ইছমাইল আৰু এমেলিয়া কেৰে দুটাকৈ তথা অমনজ্যোত কৌৰে এটা উইকেট লাভ কৰে।

○○○○○○○○○

সমাপ্ত